# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2025
**Time :** 0755 HRS

## *Assamese Morning Bulletin*

**- - - - - - - - - - - - - - -**

অসমত উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰত সমাদৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া মতে বিগত সময়ত অসমে দক্ষিণ ভাৰতলৈ ১০০ মেট্ৰিক টন জৈৱিক ক'লা চাউল প্ৰেৰণ কৰাৰ লগতে বিহাৰলৈ ২৭ মেট্ৰিক টন জৈৱিক কল প্ৰেৰণ কৰিছে। জি আই টেগ থকা তেজপুৰৰ লিচু আৰু কাজিনেমু লণ্ডনলৈ প্ৰেৰণ হোৱাৰ লগতে বুজন পৰিমাণৰ মাটিকঠাল, আদা ডুবাই আৰু কাটাৰলৈ ৰপ্তানি কৰা হৈছে।

০০০০০০০

চৰকাৰী শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বিনামুলীয়া নামভৰ্তিৰ ক্ষেত্ৰত এতিয়াৰে পৰা পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণ পত্ৰ বৈধ নথি হিচাপে গ্ৰহণ কৰা নহ'ব বুলি অসম চৰকাৰ উচ্চ শিক্ষা বিভাগে জানিবলৈ দিছে। এই সন্দৰ্ভত জাৰি কৰা শেহতীয়া নিৰ্দেশনা অনুযায়ী বিনামুলীয়া নামভৰ্তিৰ যোগ্যতা বিবেচনা কৰাৰ ক্ষেত্ৰত একমাত্ৰ ৰেচন কাৰ্ডহে নথি হিচাপে গণ্য কৰা হ'ব। শিক্ষাৰ্থীগৰাকীৰ ৰেচন কাৰ্ড নাথাকিলে পিতৃ-মাতৃৰ ৰেচন কাৰ্ড বিনামুলীয়া নামভৰ্তিৰ বাবে প্ৰযোজ্য হ'ব।

০০০০০

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হৈ ইয়াৰ কাষৰীয়া হাতীখুলী চাহবাগিচা পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাগিচাখনৰ শ্ৰমিকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ  বিভিন্ন সা-সুবিধাৰ বুজ লয়।  তেওঁ চৰকাৰী আঁচনিৰ সুবিধা লাভ নকৰা শ্ৰমিকসকলক সংশ্লিষ্ট পক্ষক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছত শ্ৰী চৌহানে কাজিৰঙাৰ কঁহৰাস্থিত বন বিভাগৰ প্ৰেক্ষাগৃহত বোকাখাত অঞ্চলৰ কিছুসংখ্যক কৃষকৰ সৈতে মত বিনিময় কৰে। কৃষকসকলে নিজৰ খেতি-পথাৰত উৎপাদিত বিভিন্ন পাচলি মন্ত্ৰীগৰাকীক উপহাৰ হিচাপে আগবঢ়ায়। বোকাখাত সমষ্টিৰ বিধায়ক তথা কৃষি মন্ত্ৰী অতুল বৰা আৰু বোকাখাত সম-জিলাৰ উপায়ুক্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সংগ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব। কাইলৈ তেওঁ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

০০০০০

নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু নাহৰকটীয়া সম-জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱাৰ উপস্থিতিত নাহৰকটীয়াত সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠান তথা আন্তঃগাঁথনি উন্নয়নৰ বাবে লাভ কৰা চৰকাৰী ভূমি

আবণ্টনৰ আবেদনসমূহ উপস্থাপন কৰা হয়। পুংখানুপুংখ নিৰীক্ষণৰ পাছত আবেদনসমূহ নীতিগতভাৱে অনুমোদন জনোৱা হয়। বৈঠকত নাহৰকটীয়া ৰাজহ চক্ৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিবলৈ লৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত আৰু পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰিব।

ooooooo

পঞ্চায়ত নিৰ্বাচনত জয়লাভ কৰা ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিওখন জিলা পৰিষদ আৰু ১৬ খন আঞ্চলিক পঞ্চায়তৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ উপৰি ৱাৰ্ডসমূহৰ প্ৰাৰ্থীসকলক কালি বিজেপিৰ ঢকুৱাখনা জিলা সমিতিৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত আদৰণি জনোৱা হয়। অনুষ্ঠানত ঢকুৱাখনাৰ বিধায়ক নৱকুমাৰ দলেই নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলে অনাগত দিনৰ নিজ নিজ দায়িত্ব পালন কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিজেপিৰ জিলাসমূহৰ সভাপতি, পৌৰপতি, পৌৰ আয়ুক্ত, বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষসকলৰ লগতে দলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

ooooo

সমাপ্ত